**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-02-2026**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহাতকাৰে মঙলদৈত আজি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ মঙলদৈ নাট্য মন্দিৰত অনুষ্ঠিত পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ সামৰ্থবৰ্ধন কাৰ্যসূচী She is a change maker ত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দীলিপ শইকীয়াও উপস্থিত থাকে। উপস্থিত আই মাতৃসকলক উদ্দেশ্যি সাংসদ শইকীয়াই কয়, যে চৰকাৰৰ বিভিন্ন জনহিতকৰ আঁচনিসমূহৰ বিষয়ে মহিলাসকল অৱগত হোৱাটো প্ৰয়োজন আৰু তেওঁলোকক এই বিষয়ে জনাবলৈ মহিলা আয়োগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে লোৱা আঁচনিসমূহৰ জৰিয়তে মহিলাসকল কিদৰে উপকৃত হৈছে সেই বিষয়েও তেওঁ ভাষণত উল্লেখ কৰে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহাতকাৰে কয়, যে ৰাইজৰ কাম কৰিবলৈ জনপ্ৰতিনিধিসকলক শিক্ষাৰ প্ৰয়োজন আছে। সেয়েহে জনপ্ৰতিনিধিসকলক প্ৰশিক্ষণ দিয়াটো অতি জৰুৰী আৰু মহিলা আয়োগে এনে ধৰণৰ কাৰ্যসূচী হাতত লৈছে। পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলক উদ্দেশ্যি তেওঁ সমাজত বাল্যবিবাহ ৰোধ কৰা, নিৰ্বাচনত উপযুক্ত ভোটাৰে অংশগ্ৰহণ কৰা আদি বিষয়ত সজাগতা আনিবলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অতিৰিক্ত সচিব বি ৰাধিকা চক্ৰৱৰ্তীয়েও মহিলাসকলক উদ্দেশ্যি ভাষণ দিয়ে।

০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি অনুষ্ঠিত এখন সভাত  সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত পৰীক্ষা সম্পৰ্কীয় সকলো দিশ সামৰি সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়।

মৰিগাঁও জিলাতো হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শান্তিপূৰ্ণ তথা সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰা হয়। মৰিগাঁও জিলা প্ৰসাশনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰে। নিৰ্দেশনা অনুসৰি অনুমতি অবিহনে পৰীক্ষাৰ দিনকেইটাত পৰীক্ষাকেন্দ্ৰৰ আশে-পাশে লাউড স্পীকাৰ, মাইক্ৰ'ফোন আদিৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰসমূহৰ চৌহদৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীল লোকৰ সমাগম অথবা ভিৰ নিষিদ্ধ কৰা হৈছে। পৰীক্ষাৰ্থীসকলে পৰীক্ষা কক্ষলৈ ম'বাইল ফোন, ইলেকট্ৰনিক সঁজুলী বা কোনো অকৰ্তীত্বশীল তথা সন্দেহজনক সামগ্ৰী লৈ যাব নোৱাৰিব। পৰীক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এই আদেশ বলৱৎ হৈ থাকিব।

উল্লেখযোগ্য যে অহা ১০ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ উচ্চতৰ মাধ্যমিক পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ দ্বাৰা ৰূপায়িত স্ব-নিৰ্ভৰ নাৰী আঁচনিৰ অধীনত গহপুৰ সমষ্টিৰ কলাবাৰীৰ শিপিনিসকলৰ মাজত আজি তাঁতশাল বিতৰণ কৰা হয়। বিধায়ক উৎপল বৰাই শিপিনিসকলক শিপিনি সম্প্ৰসাৰণ সেৱা কেন্দ্ৰত তাঁতশালসমহূ বিতৰণ কৰে। স্বনিৰ্ভৰ নাৰী দেশৰ উন্নয়নৰ চালিকা শক্তি- এই লক্ষ্য আগত ৰাখি ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু

বস্ত্ৰ শিল্প বিভাগে ৰাজ্যৰ বিভিন্ন জিলাত এই আঁচনি ৰূপায়ণ কৰি আহিছে। ইয়াৰ উপৰি বিধায়ক শ্ৰী বৰাই জিলা পৰিষদৰ উন্নয়ন পুঁজিৰ জৰিয়তে দুবিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত পানীগাঁও সংযোগী পথ নিৰ্মাণৰ কামৰো আধাৰশিলা স্থাপন কৰে।

০০০০

মৰিগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আশা অভিৰ্তন ২০২৫-২৬ৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে অংশগ্ৰহণ কৰি কয়, যে আশা, নামেই যাৰ পৰিচয়। গাঁৱৰ প্ৰতিটো পৰিয়ালৰ মুখত আশাৰ সঞ্চাৰ কৰাৰ একোটা গুৰু দায়িত্ব যাৰ কান্ধত থাকে তেওঁলোকেই হ'ল আশা। তেওঁ আশা কৰ্মীসকলক যিকোনো প্ৰত্যাহ্বানৰ মাজতো সেৱা আগবঢ়াই অহাৰ বাবে প্ৰশংসা কৰে। বৰ্তমান স্বাস্থ্য খণ্ডত হোৱা ব্যাপক পৰিৱৰ্তনৰ কথা উল্লেখ কৰি তেওঁ প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ পূৰ্বৰ তুলনাত হ্ৰাস পাইছে বুলি মন্তব্য কৰে। জিলা আয়ুক্তগৰাকীয়ে আজিৰ অনুষ্ঠানতে কৰ্মক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা তিনিগৰাকী আশা কৰ্মীক পুৰস্কৃত কৰে।

০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ খাজিখোৱা গল্ফ খেলপথাৰত আজিৰে পৰা অহা ৮ ফেব্ৰুৱাৰীলৈ মটক যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। সদৌ অসম মটক সন্মিলন আৰু সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ক্ৰমে চান্দ কুমাৰ গোঁহাই আৰু ৰঞ্জিত গোঁহায়ে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মহোৎসৱত মটক জনগোষ্ঠীৰ বিভিন্ন লোক কলাকৃষ্টি, লোকাচাৰ, লোকগীত-মাত আদি প্ৰদৰ্শন কৰা হয়।

০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ কেন্দ্ৰ ৰেডিঅ' জ্ঞান মালিনীৰ উদ্যোগত আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ চকু চিকিৎসা বিভাগৰ সহযোগত আজি বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। কলৌলোৱা আদৰ্শ দেউৰী গাঁৱত অনুষ্ঠিত এই শিবিৰত অঞ্চলটোৰ ডেৰশ গৰাকী লোকৰ চকু পৰীক্ষা, ঔষধ প্ৰদানৰ লগতে প্ৰায় ১০০ গৰাকী লোকক বিনামূলীয়াকৈ চশমা দিয়া হয়। তিনি গৰাকী চকুৰ ৰোগীত অস্ত্ৰোপচাৰৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ চকু চিকিৎসা বিভাগলৈ নিয়াৰ ব্যৱস্থা কৰা হয়।

০০০০

ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কেৰালা আৰু ছাৰ্ভিছেচ দল ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ছাৰ্ভিচেছে ৰে'লৱেক ২-০ গ'লত পৰাস্ত কৰে। খেলখনত ছাৰ্ভিচেছৰ হৈ অভিষেক পাৱাৰে দুয়োটা গ'ল কৰে। দ্বিতীয়খন ছেমি ফাইনেলত কেৰালাই পাঞ্জাৱৰ বিৰুদ্ধে ৪-০ গ'লত জয়লাভ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**